জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৫৭/২০২২

# অসম সমবায় এপেক্স বেংক লিমিটেডৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## বেংকটোৰ বিকাশৰ দিশত নিষ্ঠাৰে প্ৰয়াস চলাবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৭ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম সমবায় এপেক্স বেংক লিমিটেডৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ গ্ৰহণ কৰি বেংকটোৰ বিষয়া-কৰ্মচাৰীসকলক প্ৰতিষ্ঠানটোৰ সম্পৰ্কে জনমানসত অধিক উন্নত ধাৰণা গঢ়ি তোলাৰ লগতে ইয়াৰ বিকাশৰ বাবে নিষ্ঠাৰে প্ৰয়াস চলাবলৈ আহ্বান জনায়। গুৱাহাটীৰ লোক নিৰ্মাণ বিভাগৰ কনভেনশ্যন চেণ্টাৰত অনুষ্ঠিত এক কাৰ্যসূচীত অংশলৈ প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পৰা অনুপ্ৰাণিত হৈ ১৯৪৮ চনৰ ২০ অক্টোবৰত অসম সমবায় এপেক্স বেংকৰ প্ৰতিষ্ঠা হৈছিল। তেতিয়াৰ পৰা বেংকটোৱে বহু ঘাট-প্ৰতিঘাত অতিক্ৰম কৰি অবিৰতভাৱে অগুৱাই গৈছে। ২০০৮ চনৰ পৰা বেংকটোৰ সৈতে তেওঁৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সম্পৰ্কৰ ওপৰত আলোকপাত কৰি ড° শৰ্মাই কয় যে এনে এটা সময় আছিল যেতিয়া একাধিক ইউনিয়নৰ প্ৰাদুৰ্ভাৱৰ বাবে বেংকটোৰ কাম-কাজত স্থবিৰতা আহি পৰিছিল। ব্যৱসায়ত সফলতা আৰু বিকাশমুখী যাত্ৰাত কোনো প্ৰতিষ্ঠান বা অঞ্চলৰ সম্পৰ্কে গঢ় লৈ উঠা ধাৰণাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অত্যধিক ইউনিয়নৰ উপস্থিতিয়ে যিকোনো বেংকিং প্ৰতিষ্ঠানৰ বিকাশত বাধাৰ সৃষ্টি কৰে কাৰণ ইয়াৰ ফলত গ্ৰাহকসকলে তেওঁলোকৰ সঞ্চয়ৰ সুৰক্ষাৰ প্ৰতি শংকিত হৈ পৰে। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা নতুন পদক্ষেপ “বিকাশৰ বাবে এটা পযেক” শীৰ্ষক কাৰ্যসূচীৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে এই পদক্ষেপৰ অধীনত প্ৰথম পৰ্যায়ত ১৫ হাজাৰ কোটি টকাৰে ৰূপায়িত অথবা ৰূপায়ণ কৰিবলগীয়া বিভিন্ন উন্নয়নমূলক প্ৰকল্প আৰম্ভ কৰা হৈছে বা ৰাইজৰ সেৱাত উৎসৰ্গিত হৈ আছে। ড° শৰ্মাই কয় যে এই ধৰণৰ পদক্ষেপ আজি সম্ভৱ হৈ উঠিছে কাৰণ সমগ্ৰ দেশতে অসমক লৈ ক্ৰমান্বয়ে ইতিবাচক ধাৰণা গঢ় লৈ উঠিছে আৰু বিনিয়োগকাৰীয়ে ৰাজ্যখনক নিৰাপদ আৰু বিনিয়োগৰ বাবে উপযোগী বুলি গণ্য কৰিবলৈ ধৰিছে।

এই কথা উল্লেখ কৰি তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীন ভাৰতৰ অমৃতকাল বুলি অভিহিত কৰা অহা ২৫ বছৰৰ ভিতৰত সম্ভৱ কৰিব পৰাকৈ কেইবাটাও লক্ষ্য নিৰ্ধাৰণ কৰি আগবাঢ়ি যাবলৈ বেংকৰ বিষয়া-কৰ্মচাৰীসকলক আহ্বান জনায়। ড° শৰ্মাই বেংকত ইউনিয়নবাদৰ অন্ত পেলাবলৈ আহ্বান জনাই কয়

যে একাধিক ইউনিয়নৰ পৰিৱৰ্তে এনে এটা ইউনিয়ন গঢ়ি তোলক যি বেংকৰ স্বাৰ্থত ক্ষতিকাৰক হ'ব পৰা যিকোনো অসৎ কাৰ্যৰ বিৰুদ্ধে চোকা দৃষ্টি ৰাখিব পাৰে। অনাগত বছৰবোৰত অসম সমবায় এপেক্স বেংকে যাতে ৰাষ্ট্ৰীয়কৃত বেংকৰ মৰ্যাদা লাভ কৰিব পাৰে তাৰ বাবে বেংকৰ বিষয়া-কৰ্মচাৰীসকলক ঐক্যবদ্ধ প্ৰচেষ্টাৰে কাম কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

সাত দশকৰ দীঘলীয়া যাত্ৰাত বেংকৰ শ্ৰীবৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা গ্ৰাহকসকলৰ অৱদানৰ ৰেখাপাত কৰি ড° শৰ্মাই নিষ্ঠাবান গ্ৰাহকৰ তথ্যকোষ প্ৰস্তুত কৰাৰ লগতে প্ৰৱঞ্চকৰ পৰা বেংকৰ স্বাৰ্থ সুৰক্ষিত কৰিব পৰাকৈ এটা আইনী কোষ গঠন কৰিবলৈও পৰামৰ্শ দিয়ে। আনহাতে, স্বচ্ছভাৱে বেংকৰ একাউণ্টৰ সঠিক অডিটত ওপৰতো ড° শৰ্মাই গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে কভিড-১৯ৰ সময়ছোৱা বাদ দি যোৱা চাৰি-পাঁচ বছৰ ধৰি ৰাজ্যৰ অৰ্থনীতি বছৰি ১২% হাৰত বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম সমবায় এপেক্স বেংককো প্ৰতিষ্ঠানটোৰ ক্ষেত্ৰত বৃদ্ধিৰ একে হাৰ বজাই ৰাখিবলৈ বা আৰু অধিক আগুৱাই যাবলৈ আহ্বান জনায়।

আজিৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে ১০০ গৰাকী নতুনকৈ নিযুক্তি পোৱা বেংকৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ বিতৰণ কৰে তথা বেংকটোৰ দুখন মোবাইল এ টি এম ভেন মুকলি কৰে।

বেংকৰ অধ্যক্ষ তথা বিধায়ক বিশ্বজিৎ ফুকনে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ কাৰ্যসূচীত সমবায় বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, ৰাজহ মন্ত্ৰী যোগেন মহন, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, বেংকটোৰ উপাধ্যক্ষ গৌতম বৰাকে ধৰি বেংকৰ অন্যান্য বিষয়ববীয়া উপস্থিত থাকে।

**বীঃগঃ**
**০৭/১২/২০২২**